بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## তবুকৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ নৱেম্বৰ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللَّهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللَّهِ مِنَ الشَّيْطَانِ الرَّجِيمِ ـ بِسْمِ اللَّهِ الرَّحْمَٰنِ الرَّحِيمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, তবুকৰ যুদ্ধৰ বিষয়ে বৰ্ণনা চলি আছিল। এই যাত্ৰাৰ বিস্তাৰিত বিৱৰণ আজি বৰ্ণনা কৰিম। সেই যাত্ৰাৰ সময়ত কপটাচাৰী সকলে ৰছুলে কৰিম (ছাঃ)ক ক্ষতি কৰাৰ প্ৰচেষ্টাৰ পৰিকল্পনাৰ বৰ্ণনা পোৱা যায়, যাৰ বিৱৰণ এইদৰে, তবুকৰ যুদ্ধৰ আঁৰত আচলতে ইহুদী, খ্ৰীষ্টান আৰু কপটাচাৰী সকলে একেলগে ষড়যন্ত্ৰ কৰিছিল। মদিনাৰ পৰা তবুকৰ যাত্ৰা আচলতে মৃত্যুৰ উপত্যকাৰ যাত্ৰা আছিল। কপটাচাৰী সকলে সেই যাত্ৰাৰ সময়ত এই পৰিকল্পনা কৰিছিল যে উভতি অহা যাত্ৰাত এটা ঠাই এনেকুৰা আছিল য'ত পথটো দুটা ভাগত বিভক্ত হৈছিল। এটা আছিল দীঘলীয়া উপত্যকাৰ বাট, আনটো আছিল কঠিন আৰু সংকীৰ্ণ বাট; এই বাটটো চুটি আছিল। কপটাচাৰীসকলে এই ষড়যন্ত্ৰ কৰিছিল যে যেতিয়াই সেই উপত্যকাৰে মুছলমান সকল পাৰ হ'ব তেতিয়া লোকসকলৰ ভিৰৰ মাজত ৰাতিৰ সময়ত ৰছুলে কৰিম (ছাঃ)ৰ চাৰিওফালে একগোট হৈ যাব, আৰু উটটোক বল প্ৰয়োগ কৰি উপত্যকাৰ প্ৰান্তলৈ খেদি লৈ যাব আৰু কুঁজৰ ৰছীডাল কাটি পেলাব। এইদৰে উটটোৱে ৰছুলে কৰিম (ছাঃ)ক নাউজুবিল্লাহ গভীৰ গাঁতত পেলাই দিব। আল্লাহ তা'লাই কপটাচাৰীসকলৰ এই পৰিকল্পনাৰ বিষয়ে আগতীয়াকৈ জনাই দিছিল। তেখেত (ছাঃ)য়ে ঘোষণা কৰিছিল যে তেখেত (ছাঃ) আৰু তেখেতৰ তিনিজন লগৰীয়াৰ বাহিৰে কোনেও উপত্যকালৈ নাযাব।

ইয়াৰ পিছত কপটাচাৰীসকলে সোনকালে এই পৰিকল্পনা কৰিছিল যে ১২/১৫ জন মানুহে নিজৰ মুখখন কাপোৰেৰে ঢাকি দ্ৰুত গতিৰে উপত্যকাৰ ফালে ওলাই যাব আৰু উটটোক খেদি লৈ যাব, এনেদৰে তেওঁলোকে পৰিকল্পনাত সফল হ'ব বুলি আশা কৰি আছিল। আঁহজৰত (ছাঃ)য়ে যেতিয়া উপত্যকাৰ মাজেৰে গৈ আছিল তেতিয়া হঠাতে তেখেত (ছাঃ)য়ে শব্দ শুনিবলৈ পাইছিল। তেওঁলোকে (যড়যন্ত্ৰকাৰীয়ে)উটৰ ওচৰত আহি ভয় দেখুৱালে, যাৰ বাবে কিছু বস্তু-বাহানি পৰি গৈছিল। আঁহজৰত (ছাঃ)য়ে হজৰত হুজাইফা (ৰাঃ)ক নিৰ্দেশ দিছিল যে এই কপটাচাৰী সকলৰ ওপৰত আক্ৰমণ চলাই ভয় দেখুওৱা হওঁক। অৰ্থাৎ হজৰত হুজাইফা (ৰাঃ)য়ে লাঠি লৈ কপটাচাৰী সকলৰ আৰোহীক খেদি খেদি কৈছিল যে আল্লাহৰ শত্ৰুসকল ! ইয়াৰ পৰা গুচি যোৱা। কপটাচাৰীসকলে বুজি পাইছিল যে ৰছুলে কৰিম (ছাঃ)য়ে এই পৰিকল্পনাৰ বিষয়ে অৱগত হ'ব পাৰিছে, গতিকে তেওঁলোকে তৎক্ষণাত তাৰ পৰা উভতি সেনা বাহিনীৰ সৈতে যোগদান কৰিবলৈ আহিছিল।

এটা বৰ্ণনা অনুসৰি আল্লাহ তা'লাই তেখেত (ছাঃ)ক সেই কপটাচাৰী সকলৰ নামৰ বিষয়ে অৱগত কৰিছিল। অৰ্থাৎ আঁহজৰত (ছাঃ)য়ে হজৰত হুজাইফা (ৰাঃ)ক কৈছিল যে মই তোমাক এটা গোপন কথা ক'বলৈ ওলাইছো। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল যে মোক সেই আক্ৰমণকাৰীৰ নাম জনাই দিয়া হৈছে আৰু মোক তেওঁলোকৰ নামাজে জানাজা পঢ়াবলৈ আদেশ দিয়া হৈছে।

মক্কা বিজয়ৰ পিছত কপটাচাৰী সকলৰ ষড়যন্ত্ৰ আৰু অধিক বৃদ্ধি পায়। যেতিয়া তেওঁলোকে দেখিবলৈ পাইছিল যে ইহুদী জনগোষ্ঠীয়ে নিজৰ শক্তি হেৰাই পেলাইছে তেতিয়া তেওঁলোকে আৰবৰ বাহিৰত ৰোমৰ সম্ৰাটৰ পৰা সহায় বিচৰাৰ পৰিকল্পনা কৰিছিল; লগতে মদিনাত এটা স্থায়ী কেন্দ্ৰ স্থাপন কৰিবলৈ পৰিকল্পনা কৰিছিল। কপটাচাৰীসকলৰ পৰিকল্পনা এইটো আছিল যে মুছলমান সকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ প্ৰস্তুত কৰি তাত অস্ত্ৰ-শস্ত্ৰ ৰখা হওঁক। বাহ্যিক হিচাপে সেই কেন্দ্ৰটো এনকুৱা হ'ব লাগে যে মুছলমান সকলে যেন সন্দেহ কৰিব নোৱাৰে। কিছু সময় অনুপস্থিত থকা আবু আমিৰ হঠাতে তাত উপস্থিত হয়, ষড়যন্ত্ৰকাৰীয়ে তেওঁক আবু আমিৰ সন্ন্যাসী ক'ব ধৰিলে। আবু আমিৰ খজৰজ জনগোষ্ঠীৰ অন্তৰ্ভুক্ত আছিল। হুজুৰ (ছাঃ)য়ে মদিনা অহাৰ পিছত তেওঁ মক্কালৈ গুচি গৈছিল। তেওঁ কুৰাইছ সকলক নবী কৰিম (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ উচটনি দিছিল। তেওঁৰ বাবে আঁহজৰত (ছাঃ)য়ে দোৱা কৰিছিল যে তেওঁ নিজৰ জন্মভূমিৰ পৰা দূৰৈত অকলশৰীয়াভাৱে মৃত্যুবৰণ কৰিব। আবু আমিৰে কপটাচাৰী সকলক এই প্ৰস্তাৱ দিছিল যে তোমালোকে কুবাত এখন মছজিদ নিৰ্মাণ কৰা আৰু তাত সামৰিক ঘাটি স্থাপন কৰি যুদ্ধৰ বাবে সাজু হৈ থকা। আবু আমিৰ নিজেই ৰোমান সম্ৰাটৰ ওচৰলৈ গৈ ছিৰিয়াৰ ৰোমান সম্ৰাট কায়চৰক মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ উচটনি দিছিল। তেওঁ কায়চৰক কৈছিল যে মুছলমান সকলৰ সংখ্যা অতি নগন্য তথা দুৰ্বল আৰু দৰিদ্ৰ। তেওঁলোকৰ শত্ৰু অধিক, গতিকে মুছলমানৰ প্ৰতি ভয় নকৰিব। যদি আপুনি তেওঁলোকৰ বিৰুদ্ধে এতিয়া কোনো পদক্ষেপ নলয় তেন্তে আপোনাৰ শাসনৰ বাবে ভাল নহ'ব। হৰকলে তেওঁক নিজৰ ওচৰতেই ৰাখি সান্তনা দি অংগীকাৰ কৰিলে যে তোমালোকৰ সহায় কৰা হ'ব। সেই সময়তে আবু আমিৰে নিজৰ ষড়যন্ত্ৰকাৰী লগৰীয়াক সু-খবৰ দিলে যে অতি সোনকালে বৃহৎ সেনা বাহিনীৰে সৈতে মদিনাৰ ওপৰত আক্ৰমণ কৰিম। গতিকে, তোমালোকে মোৰ বাবে এটা শক্তিশালী ভিত্তি স্থাপন কৰা। ইয়াৰ বাবে কপটাচাৰীসকলে কুবাত এটা মছজিদ নিৰ্মাণ কৰিলে আৰু সেই মছজিদৰ

নাম মছজিদে জৰৰ ৰখা হ'ল। আবু আমিৰৰ এই ইচ্ছাও পূৰণ নহ'ল। অৱশেষত আবু আমিৰে ছিৰিয়াত অকলশৰীয়া নিজৰ দেশৰ পৰা দূৰত্ব অৱলম্বন কৰা অৱস্থাত ৯ বা ১০ হিজৰীত মৃত্যুবৰণ কৰে।

কপটাচাৰী সকলে যেতিয়া মছজিদৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছিল তেতিয়া তেওঁলোকে তেখেত (ছাঃ)ক সেই মছজিদত নামাজ পঢ়িবলৈ আবেদন জনায়। আল্লাহৰ প্ৰজ্ঞা এইটো আছিল যে তেওঁলোকে আঁহজৰত (ছাঃ)ৰ ওচৰত সেই সময়ত গৈ উপস্থিত হৈছিল যেতিয়া তেখেত (ছাঃ)য়ে তবুক অভিমুখে ৰাওনাৰ প্ৰস্তুতি চলাই আছিল। তেখেত (ছাঃ)য়ে কৈছিল যে এতিয়া মই ব্যস্ত আছো, যাত্ৰাৰ বাবে প্ৰস্তুত হৈ আছো। যেতিয়া আমি যাত্ৰাৰ পৰা উভতি আহিম তেতিয়া সেই মছজিদত গৈ নামাজ পঢ়াম। তবুকৰ যুদ্ধৰ পৰা উভতি অহা সময়ত আল্লাহ তা'লাই ওহীৰ যোগেদি তেখেত (ছাঃ)ক খবৰ জনাই কলে যে সেইসকল যিসকলে ক্ষতি কৰা উদ্দেশ্যে, কুফৰ বিস্তৃত কৰাৰ বাবে আৰু মোমিন সকলৰ মাজত বিশৃংখলা সৃষ্টি কৰাৰ বাবে এনেকুৱা এজন ব্যক্তিক বিপদত পেলাবলৈ অৰ্থাৎ তেওঁলোকে আগৰে পৰাই আল্লাহ আৰু ৰছুলৰ সৈতে যুদ্ধ কৰি আছে, মছজিদ নিৰ্মাণ কৰিছে। তেওঁলোকে নিশ্চয় শপত ল'ব যে আমি হিত সাধনৰ বাহিৰে একোৱে নিবিচাৰো; আল্লাই সাক্ষী প্ৰদান কৰি আছে তেওঁলোক নিশ্চয় মিছলীয়া। তেখেত (ছাঃ)য়ে সেই ওহী অৱতীৰ্ণৰ পিছত মছজিদে জৰৰ ভাঙি পেলাবলৈ আদেশ দিছিল। তেখেত (ছাঃ)ৰ নিৰ্দেশ অনুসৰি সেই মছজিদখন অগ্নিৰে জ্বলাই দিয়া হৈছিল।

যেতিয়া তেখেত (ছাঃ)য়ে মদিনা উভতি আহি সেই ঠাইখিনি আছিম বিন আদিক দিব বিচাৰিলে যাতে তেওঁ তাত নিজৰ ঘৰ সাজিব পাৰে। কিন্তু হজৰত আছিম (ৰাঃ)য়ে ক্ষমা বিচাৰি সেই ঠাইখন ছাবিত বিন আৰকমক দিবলৈ প্ৰস্তাৱ জনাইছিল, কাৰণ তেওঁৰ ওচৰত বাসস্থান সাজিবলৈ কোনো ঠাই নাছিল। অৰ্থাৎ আঁহজৰত (ছাঃ)য়ে এই ঠাইখন ছাবিত বিন আৰকমক প্ৰদান কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে কপটাচাৰী সকলৰ ইমান ডাঙৰ পৰিকল্পনা সত্ত্বেও কোনো ধৰণৰ শাৰীৰিক বা আৰ্থিক শাস্তি দিয়া নাছিল।

প্ৰায় দুই মাহ যাত্ৰাৰ অন্তত আঁহজৰত (ছাঃ)য়ে মদিনা অভিমুখে উভতি আহি আছিল, যেতিয়াই মদিনা নগৰখন দেখা পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে এইটো সেই পাহাৰ (উহুদ) যিয়ে আমাক ভাল পায় আৰু আমিও তাক ভাল পাওঁ। অৰ্থাৎ মদিনাৰ প্ৰতিটো বস্তুৰ প্ৰতি হুজুৰ (ছাঃ)ৰ ভালপোৱাৰ সম্পৰ্ক আছিল।

তেখেত (ছাঃ)য়ে কৈছিল যে মই সোনকালে মদিনা গৈ পাব লাগে, গতিকে তোমালোকৰ মাজৰ যিয়ে মোৰ সৈতে যাব বিচাৰে তেন্তে আহঁক।

তবুকৰ যুদ্ধৰ পৰা উভতি অহা সময়ত কৈছিল যে মদিনাত কিছুমান মানুহ আছে যেতিয়াই তোমালোকে কোনো নগৰ অতিক্ৰম কৰিছা বা যাত্ৰা কৰিছা, সেই নগৰখন তোমালোকৰ লগতেই আছিল। চাহাবা সকলে কৈছিল যে হে আল্লাহৰ ৰছুল ! সেয়া মদিনাত থকা অৱস্থাতেই আমাৰ লগত কেনেকৈ থাকিব পাৰে ? তেখেত (ছাঃ)য়ে কৈছিল যে তেওঁলোকে মদিনাতেই আছে, ৰোগ ইত্যাদিৰ কাৰণে বা আন কোনো অজুহাতে তেওঁলোকক বাধা দিছিল। আন এটা বৰ্ণনাত আছে যে যেতিয়া তেখেত (ছাঃ)য়ে মদিনা উপস্থিত হৈছিল তেতিয়া আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰি কৈছিল সকলো

প্ৰশংসা আল্লাহৰ নিমিত্তে যিজনাই আমাৰ যাত্ৰাত আমাক প্ৰতিদান, ছোৱাব আৰু নিষ্ঠা প্ৰদান কৰিছে, আৰু যিসকলে এই যাত্ৰাত অংশগ্ৰহণ কৰিব পৰা নাই তেওঁলোককও আল্লাহ্ তা'লাই প্ৰতিদান আৰু ছোৱাবৰ অন্তৰ্ভুক্ত কৰক। এই কথা শুনি হজৰত আয়শা (ৰাঃ)য়ে কৈছিল যে আপুনি যাত্ৰাৰ কষ্ট সহ্য কৰিছে সেই কাৰণে প্ৰতিদান আৰু ছোৱাবৰ অধিকাৰী বুলি গণ্য হৈছে, তেওঁলোকে কষ্ট সহ্য নকৰাকৈ প্ৰতিদান আৰু ছোৱাবৰ কেনেকৈ অংশীদাৰ হ'ব পাৰে ? তেখেত (ছাঃ)য়ে কৈছিল যে সেই লোকসকল যিসকলক ৰোগে আক্ৰান্ত কৰিছে তেওঁলোক আমাৰ লগতেই। আল্লাহৰ শপত ! তেওঁলোকৰ দোৱা আমাৰ শত্ৰুসকলৰ বাবে আমাৰ অস্ত্ৰ-শস্ত্ৰতকৈ অধিক ভূমিকা পালন কৰিছে।

আঁহজৰত (ছাঃ) মদিনাত উপস্থিত হোৱাত লোকসকলে তেখেত (ছাঃ)ক স্বাগতম জনাবলৈ চহৰৰ পৰা ওলাই আহি তাৰানা আৰু কবিতা পাঠ কৰিছিল। শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আৰু কিছুমান জীৱনী সন্দৰ্ভত ঘটনা আছে সেইবোৰ ইনশ্বা আল্লাহ্ পৰৱৰ্তীত বৰ্ণনা কৰিম

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمکم اللّٰہ اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 21 NOV 2025

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB